# পানীৰ অধিকাৰ

**মানুহেই একমাত্ৰ প্ৰাণী যি পানীৰ ব্যৱহাৰৰ উপৰি অপব্যৱহাৰো কৰে। মানুহে ব্যৱহাৰ কৰা পানীতকৈ অপব্যৱহাৰ কৰা পানীৰ পৰিমাণ বেছি।**



*বিশাখাপট্টনমত আকাশ, সমুদ্ৰ আৰু ভূমি।*

**গ্ৰীণ কলাম**

**পুলিন কলিতা**

**সাধাৰণ** হিচাপত পৃথিৱী নামৰ গ্ৰহটোৰ এক তৃতীয়াংশহে ভূমি, বাকী দুই তৃতীয়াংশ পানী। চিন্তনীয় কথাটো হ'ল, প্ৰাণীৰ ব্যৱহাৰযোগ্য পানীৰ পৰিমাণ এই পৃথিৱীত বৰ কম — গ্ৰহটোত থকা মুঠ পানীৰ কেইশতাংশমানহে। এই পানীৰ দাবীদাৰ কিন্তু বহুত ঃ চকুৰে মণিব নোৱৰা প্ৰাণীৰ পৰা অৰণ্য ভৰি থকা সৰু-বৰ সকলো উদ্ভিদ হৈ হাতীৰ দৰে বিশাল প্ৰাণীলৈ, যাৰ মাজত আছে মানুহো। প্ৰাণীকুলৰ ভিতৰত মানুহকে লাগে আটাইতকৈ বেছি পানী; আনহাতে, কেৱল মানুহেই এই পৃথিৱীৰ একমাত্ৰ প্ৰাণী যি পানীৰ ব্যৱহাৰৰ উপৰি অপব্যৱহাৰো কৰে। তাৎপৰ্যপূৰ্ণ ঘটনাটো হ'ল, মানুহে ব্যৱহাৰ কৰা পানীতকৈ অপব্যৱহাৰ কৰা পানীৰ পৰিমাণ বেছি।

প্ৰাণীৰ কথা সামগ্ৰিকভাৱে আলোচনা নকৰি কেৱল মানুহ আৰু পানীৰ আন্তঃসম্পৰ্কৰ আলোচলৈ অহা যাওক। এই আলচেই আমাক 'পানীৰ অধিকাৰ'ৰ বিষয়টো স্পষ্ট কৰি দিব।

**মানুহে** পানীৰ ব্যৱহাৰ ঐতিহাসিক দিনৰে পৰা কৰি আহিছে খোৱা, আহাৰ প্ৰস্তুত কৰা, পৰিষ্কৰণ আৰু কৃষি কাৰ্যত। বৈজ্ঞানিকসকলে হিচাপ কৰি দেখুৱাইছে *(UNESCO, National Commission for Integrated Water Resources Development Plan)* যে মানুহে ব্যৱহাৰ কৰা পানীৰ সৰহভাগ ব্যয় হয় কৃষি কাৰ্যত; ইয়াৰ পিছতে আছে ক্ৰমে পৰিষ্কৰণ, ৰন্ধন আৰু পানৰ স্থান। ৰন্ধন আৰু পানত ব্যয় হোৱাতকৈও বেছি পানী ব্যৱহাৰ হয় পৰিষ্কৰণ কাৰ্যত। অৰ্থাৎ ৰন্ধন আৰু পানক একেলগে 'খোৱা' অৰ্থত ধৰিলেও দেখা যায় যে এই শিতানতে মানুহক লাগে আটাইতকৈ কম পানী।

ইয়াৰ পিছতো কিন্তু হাহাকাৰ এই 'খোৱাপানী'ক লৈয়ে। আন দেশৰ কথা বেলেগেই, নদী-হ্ৰদ-বিলেৰে ভৰি থকা ভাৰততে খোৱাপানীৰ নাটনি এটা জটিল সমস্যা হৈ পৰিছে। ইয়াত এচাম মানুহ হয় পানীৰ নাটনিত পৰিছে নহয় দূষিত পানী সেৱন কৰি ৰোগাক্ৰান্ত হৈছে আৰু মৃত্যুমুখত পৰিছে। ডাঙৰ নগৰবোৰততো পানীৰ নাটনিয়ে জটিল ৰূপেই ধাৰণ কৰিছে। গুৱাহাটী মহানগৰৰ কথালৈ মনত পেলালেই পানীৰ সমস্যাৰ কথাটো কিছু উপলব্ধি কৰিব পৰা যাব। এই মহানগৰখনৰ কাষেদি বৈ গৈছে পানীৰ অক্ষয় ভাণ্ডাৰ ব্ৰহ্মপুত্ৰ; দুফালে আছে দুখনকৈ বিশাল বিল দীপৰ আৰু শিলপোতা / শিলসাকো; মাজত আছে চলাবিল; তদুপৰি আছে নাগকটা, শিলপুখুৰী আৰু যোৰপুখুৰী; বশিষ্ঠত আছে সুন্দৰ নিজৰা; তথাপি ইয়াত পানীৰ অভাৱ। অৱশ্যে মহানগৰখনৰ মাজেৰে প্ৰবাহিত ভৰলু আৰু বাহিনী নদীক ইতিমধ্যে হত্যা কৰা হৈছে; চলাবিলো মৃত্যুৰ দুৱাৰডলিত, শিলপোতা আৰু দীপৰৰো ডিঙি চেপি ধৰা হৈছে। উপযুক্ত পৰিকাঠামোৰ অভাৱত ব্ৰহ্মপুত্ৰৰ পানী আহৰণ কৰিব পৰা হোৱা নাই — বিত্তৱান শ্ৰেণীটোৱে এই সুযোগতে লুণ্ঠন চলাইছে মণি-মাণিক স্বৰূপ ভূগৰ্ভস্থ পানীৰ ভঁৰালটোত।

নব্য অৰ্থনৈতিক নীতিৰ বদান্যতাত ভাৰতত 'বিকাশ'ৰ নতুন যুগ আৰম্ভ হৈছে— সেয়া হৈছে উদ্যোগিক বিকাশৰ যুগ। এই উদ্যোগপতিসকলৰ ধনৰ চমকত ভাৰতত পানীৰ গুৰুত্ব (priority) সলনি হ'ব ধৰিছে— গুৰুত্বৰ দিশেৰে বৰ্তমানলৈ প্ৰথম স্থানত থকা কৃষিখণ্ডৰ ঠাই ল'বলৈ আৰম্ভ কৰিছে উদ্যোগে। ফলত ইতিমধ্যেই উদ্যোগিকৰণ হোৱা ৰাজ্যকেইখনত 'পানীৰ অধিকাৰ'ৰ যুঁজ আৰম্ভ হৈছে। হীৰাকুণ্ড বান্ধৰ উদাহৰণকে ল'ব পাৰি। জৱাহৰলাল নেহৰুৱে তেওঁৰ দ্বিতীয়টো কাৰ্যকালত উদ্বোধন কৰা আৰু 'ভৱিষ্যতৰ মন্দিৰ' (temple of future) আখ্যা দিয়া বান্ধটোৰ উদ্দেশ্য আছিল উৰিষ্যাৰ উপকূলৱৰ্তী অঞ্চলত মহানদীৰ বান নিয়ন্ত্ৰণ কৰা আৰু খৰাংপীড়িত পশ্চিম উৰিষ্যাৰ খেতিপথাৰত পানী যোগান ধৰি সেউজ বিপ্লৱ সাধন কৰা। সেউজ বিপ্লৱৰ আলোচনাত পাঞ্জাব-খণ্ডৰ কথাই সৰ্বাধিক আলোচিত হয় আৰু পশ্চিম উৰিষ্যা বাদ পৰি যায় বাবে হীৰাকুণ্ড বান্ধৰ আলোচনায়ো গুৰুত্ব হেৰুৱায়। কিন্তু গুৰুত্বপূৰ্ণ কথা হ'ল সেউজ বিপ্লৱত পশ্চিম উৰিষ্যাৰো বেছ অৰিহণা আছে আৰু এই অৰিহণা সম্ভৱ হৈছিল হীৰাকুণ্ড বান্ধৰ বাবে। সম্প্ৰতি হীৰাকুণ্ড জলাধাৰৰ পানী উদ্যোগক্ষেত্ৰত ব্যৱহাৰ হ'ব ধৰিছে; ফলত ইয়াৰ প্ৰকৃত 'হিতাধিকাৰী' কৃষকসকল বঞ্চিত হৈছে। বিগত দহ বছৰ ধৰি হীৰাকুণ্ড জলাধাৰ অঞ্চলত চলি আছে এখন 'পানীৰ অধিকাৰ'ৰ যুঁজ, সাধাৰণ কৃষক আৰু বিত্তশালী উদ্যোগপতিসকলৰ মাজত। স্বাভাৱিকতেই এই যুঁজত প্ৰশাসনে পক্ষ লৈছে উদ্যোগপতিসকলৰ। অন্ধ্ৰপ্ৰদেশৰ কাক্ৰাপল্লী আৰু সোমপেটা পানীৰ অধিকাৰৰ যুঁজৰ আন দুখন ক্ষেত্ৰ। এই দুয়ো ঠাইতে দুখন আৰ্দ্ৰভূমি পুতি দুটা তাপ বিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ অনুমতি দিছে চৰকাৰে! মহানদী পাৰতো আৰম্ভ হৈছে আন এখন পানীৰ অধিকাৰৰ যুঁজ। মধ্য প্ৰদেশত উৎপত্তি হৈ চত্তিছগড় আৰু উৰিষ্যৰ মাজেদি গৈ বংগোপসাগৰত পৰা মহানদীৰ পাৰতে এই দেশৰ সৰ্বাধিক সংখ্যক উদ্যোগ প্ৰতিষ্ঠাৰ লক্ষ্য লোৱা হৈছে। চত্তিছগড়ৰ ভূগৰ্ভতে কেৱল নহয়, অৰণ্য আৰু পাহাৰ-পৰ্বতত খুন্দ খাই আছে বিভিন্ন মূল্যৱান মণি-মাণিক। এইবোৰৰ দ্ৰুত আহৰণেৰে উদ্যোগ প্ৰতিষ্ঠাৰ প্ৰতিদ্বন্দ্বিতা আৰম্ভ হৈছে উদ্যোগপতিসকলৰ মাজত। এইবোৰ উদ্যোগে প্ৰয়োজনীয় পানী আহৰণ কৰিব মহানদীৰপৰাই আৰু তাৰ বাবে যাৱতীয় অনুমতিও চৰকাৰৰপৰা লৈছে। পৰিৱেশবিদৰ হিচাপ — প্ৰস্তাৱিত আটাইবোৰ উদ্যোগ প্ৰতিষ্ঠা আৰু কাৰ্যক্ষম হোৱাৰ পিছত এইবোৰে যিমান পৰিমাণৰ পানী মহানদীৰপৰা আহৰণ কৰিব, সিমান পানী নদীখনেৰে প্ৰবাহিতই নহয়! ইয়াৰ অৰ্থ, উদ্যোগবোৰে পানী আহৰণ আৰম্ভ কৰাৰ কেইবছৰমানৰ ভিতৰতে নদীখন সম্পূৰ্ণ শুকাই যাব।

**উদ্যোগ** মানেই যন্ত্ৰ-পাতি; উদ্যোগ মানেই মানুহৰ নতুন বসতি, উদ্যোগ মানেই জাবৰ-জোঁথৰ-আৱৰ্জনা। এইবোৰৰ বাবে পানীৰ প্ৰয়োজন একোটা অঞ্চলত হঠাতে যথেষ্ট বাঢ়ি যায়। দুৰ্ভাগ্যক্ৰমে চৰকাৰে একোটা অঞ্চলত নতুন উদ্যোগ প্ৰতিষ্ঠাৰ অনুমতি দিয়াৰ সময়তে পানীৰ এই অতিৰিক্ত চাহিদাৰ হিচাপ নকৰে; একে সময়তে এই কথাও বিবেচনালৈ নানে যে যি ঠাইত উদ্যোগ এটা নতুনকৈ স্থাপন হয়, তাত পানীৰ ভাণ্ডাৰটো কিমান ডাঙৰ; এই ভাণ্ডাৰটো পৰম্পৰাগতভাৱে কোনে ব্যৱহাৰ কৰি আছে, উদ্যোগ প্ৰতিষ্ঠাৰ পিছত পৰম্পৰাগত ব্যৱহাৰকাৰীসকল ক্ষতিগ্ৰস্ত হ'ব নে নাই! বৰং এই ক্ষেত্ৰত চৰকাৰৰ মনোভাব বৰ উপৰুৱা। এটা উদাহৰণ ল'ব পাৰি। এখন ৰাজ্যৰ জনজাতিবসতি প্ৰধান অঞ্চল এটাত এটা উদ্যোগ স্থাপনৰ অনুমতি দিয়া হ'ল আৰু একেসময়তে অঞ্চলটোৰ পাহাৰকেইখনৰ পৰা প্ৰবাহিত জুৰি আৰু নিজৰাৰ পানীত উদ্যোগটোক একচেটীয়া অধিকাৰ দিয়া হ'ল। প্ৰশ্ন উঠিল, এই পানীখিনি উদ্যোগটোৱে লৈ গ'লে স্থানীয় জনজাতীয়সকলে পানী ক'ৰ পৰা পাব। ৰাজনীতিক এজনৰ সম্প্ৰতিভ উত্তৰ — 'তেওঁলোকক বটলৰ পানী যোগান ধৰা হ'ব'। নেতাৰ উত্তৰৰ এমাহৰ ভিতৰত অঞ্চলটোত আধাৰশিলা স্থাপন হ'ল তিনিটাকৈ 'ৱাটাৰ বট্লিং প্লেণ্ট'ৰ!

**অসমত** সম্প্ৰতি বিশেষ মাত্ৰা পোৱা বৃহৎ নদীবান্ধ বিৰোধী আন্দোলনটোও প্ৰকৃততে পানীৰ অধিকাৰ সাব্যস্তকৰণৰ আন্দোলনেই। সৰ্বসাধাৰণ নাগৰিকে নিজৰ ধৰণে ব্যৱহাৰ কৰি থকা প্ৰবহমান জলৰাশিৰ যথেচ্ছ উদ্যোগিক ব্যৱহাৰৰ প্ৰতিবাদৰ নামেই বৃহৎ নদীবান্ধ বিৰোধিতা। এই নদীবোৰৰ পানীৰ ব্যৱহাৰৰ গুৰুত্ব সলনি কৰি দিয়া হ'ব, উদ্যোগিক ব্যৱহাৰে প্ৰথমস্থান পাব — নদীবান্ধেৰে জলবিদ্যুৎ আহৰণ কৰিব বিচৰা ঘটনাৰ সাৰমৰ্ম এয়ে। পানীৰ ব্যৱহাৰৰ ধৰণ সলনি হ'লেই নদীৰ ধৰ্মও সলনি হ'ব, ফলত নৈপৰীয়া মানুহৰ জীৱন-যাপনৰ স্বাভাৱিক ছন্দ ব্যাহত হ'ব। কেনেদৰে এই ঘটনা হ'ব, সেয়া কুৰিশ্বু, ৰঙানদী আৰু কাৰ্বি লাংপি বান্ধৰ নামনি অংশত দেখা গৈছেই। সমস্যাৰ জটিলতা আৰু গভীৰতা চৰকাৰে নুবুজাৰ ভাও ধৰিছে আৰু চৰকাৰৰ ভাও জনসাধাৰণে ধৰা পেলাইছে। সেইবাবেই প্ৰতিবাদ হৈছে। অসমৰ মানুহৰ এই যুঁজ 'পানীৰ অধিকাৰ'ৰ সৰ্বভাৰতীয় যুঁজখনৰে অংশ মাত্ৰ। অৱশ্যে এই যুঁজখন খণ্ডিত আৰু পাৰস্পৰিক বিচ্ছিন্ন হৈ আছে — সোমপেটাত, কাক্ৰাপল্লীত, হীৰাকুণ্ডত, নৰ্মদা আৰু মহানদীপাৰৰ বিভিন্ন ঠাইত এইবোৰ পৃথকে পৃথকে চলি আছে। যুঁজকেইখন সংযোজিত কৰি সংগঠিত কৰাৰ দৰকাৰ।

*(যোৱা ২৬-২৭ জুলাইত অন্ধ্ৰপ্ৰদেশৰ বিশাখাপট্টনমত অৱস্থিত অন্ধ্ৰ বিশ্ববিদ্যালয়ত 'ৱাটাৰ বডিজ ইন ইণ্ডিয়া ঃ পাব্লিক স্পেচেছ, প্ৰাইভেট ডিজাইনছ' বিষয়ক দুদিনীয়া কৰ্মশালাত হোৱা বিভিন্ন আলোচক আৰু অংশগ্ৰহণকাৰীৰ বক্তব্যৰ আধাৰত এই লেখা যুগুতোৱা হৈছে। নতুন দিল্লীৰ চেণ্টাৰ ফৰ ছায়েন্স এণ্ড এনভাইৰনমেণ্টে 'সমতা' আৰু 'ফোৰাম ফৰ বেটাৰ বিশাখা'ৰ সহযোগত অনুষ্ঠিত কৰা কৰ্মশালাত এই লেখকে যোগ দিছিল এটা দুমহীয়া ফেলোশ্বিপৰ অধীনত।)*




*কৰ্মশালাৰ প্ৰশিক্ষক ৰিছাৰ্ড মহাপাত্ৰ, সুনীতা নাৰায়ণ আৰু চন্দ্ৰভূষণ। ছবি ঃ লেখকৰ*

লেখকৰ ফোন ঃ +৯১ ৯৮৬৪২-৯৬১৩১, e-mail : pulalkal@yahoo.com